**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-02-2026
**Time :** 21-25 Hrs.

***Assamese Night Bulletin***
::::::::::::::::::::::

গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা, জীৱন অনুপ্ৰেৰণা** আৰু **নিযুত বাবু** আঁচনিৰ অধীনত শিক্ষাৰ্থীৰ মাজত প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে অনুদান প্ৰদান কৰে। **জীৱন প্ৰেৰণা** আঁচনিৰ অধীনত চৰকাৰী বা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে এবছৰৰ বাবে দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। তদুপৰি শৈক্ষিক উৎকৰ্ষতা আৰু উদ্ভাৱনক উদগণি যোগোৱাৰ উদ্দেশ্যে আজি **মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা** আঁচনিৰ অধীনত দুহেজাৰ ১১২ গৰাকী গৱেষকক অনুদান প্ৰদান কৰা হয়। ইয়াৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা পূৰ্ণকালীন গৱেষণাৰ বাবে গৱেষকসকলক ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষকসকলক ৪০ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠানত বি এড পাঠ্যক্ৰমত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ বাবেও অনাগত সময়ত বিশেষ আঁচনি ৰূপায়ণৰ কথা প্ৰকাশ কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী ডং শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে আই টি আই আৰু পলিটেকনিকসমূহত স্থাপন কৰা উদ্যোগ ৪.০ প্ৰযুক্তি কেন্দ্ৰসমূহ উদ্বোধন কৰে। এই অনুষ্ঠানতে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰসকলক সকাহ দিয়াৰ উদ্দেশ্যে **মুখ্যমন্ত্ৰীৰ নিযুত বাবু** আঁচনিৰ শুভাৰম্ভ কৰা হয়। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ বাহিৰে স্নাতক আৰু স্নাতকোত্তৰ বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ ছাত্ৰসকলে এই আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৬-২৭ বৰ্ষত ৪৭ হাজাৰ ৩৯৫ গৰাকী ছাত্ৰৰ মাজত মুঠ ১২ কোটি টকাৰ অনুদান প্ৰদান কৰা হয়।

০০০০

উচ্চতম ন্যায়ালয়ে ন্যায়পালিকাত দুৰ্নীতি বিষয়ক পাঠ সন্নিৱিষ্ট থকা NCERT-ৰ অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথি তৎকালেই নিষিদ্ধ কৰাৰ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগ্‌চি আৰু ন্যায়াধীশ বিপুল এন পাঞ্চলীক লৈ গঠিত খণ্ড বিচাৰপীঠে কালি দিয়া এটা নিৰ্দেশযোগে কেন্দ্ৰীয় বিদ্যালয় শিক্ষা বিভাগৰ সচিব আৰু NCERT-ৰ অধ্যক্ষক তেওঁলোকৰ বিৰুদ্ধে কিয় আদালত অৱমাননাৰ গোচৰ তৰা নহ'ব এই বিষয়েও কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। এটা নিৰ্দেশত সৰ্বোচ্চ ন্যায়ালয়ে এই পাঠ্যপুথিখনৰ সকলো প্ৰতিলিপি অনতিপলমে জব্দ কৰিবলৈ NCERT-ক কঠোৰ নিৰ্দেশ দিছে। ইয়াৰ ভিতৰত NCERT-ৰ গুদামত বৰ্তমান ২ লাখ ২৪ হাজাৰ ৯৬২ খন পাঠ্যপুথি আৰু ইতিমধ্যে বিভিন্ন স্থানত বিক্ৰী হোৱা ৩৮ খন পাঠ্যপুথি আছে। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশৰ পাছত NCERT-এ দেশৰ বিভিন্ন প্ৰান্তৰ ৩৮টা মূল বিক্ৰেতা প্ৰতিষ্ঠানৰ পৰা অষ্টম শ্ৰেণীৰ নিষিদ্ধ কৰা ১৬ খন পাঠ্যপুথি উদ্ধাৰ কৰিছে।

০০০০

এটা বিশেষ সম্প্ৰদায়ক উদ্দেশি কৰা আপত্তিজনক মন্তব্যৰ অভিযোগত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি অসম চৰকাৰ, ভাৰত চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০

শৰ্মাই এটা এটা বিশেষ সম্প্ৰদায়ক উদ্দেশ্য কৰি আপত্তিজনক মন্তব্য আগবঢ়োৱা বুলি লেখক, চিন্তাবিদ ড০ হিৰেন গোহাঁই আৰু দুটা ৰাজনৈতিক দলে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। আজি এই আবেদনসমূহৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীঠে এই জাননী জাৰি কৰে। অহা এপ্ৰিলত আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ধেমাজি জিলাৰ ৩২ হাজাৰ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰিব। এই উপলক্ষে জিলাখনৰ দেউৰীবিলত আয়োজিত অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব। খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠাসমূহৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে চৰকাৰে সমষ্টিভিত্তিত ভূমিপট্টা বিতৰণৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই এই অনুষ্ঠানৰ সৈতে ধেমাজিত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০

নুমলীগড় শোধনাগাৰ লিমিটেডৰ কৰ্পোৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত গাঁঠনিগত দক্ষতা বিকাশ পদক্ষেপৰ প্ৰথমটো প্ৰকল্প মাজুলীত আজি সফলতাৰে সমাপ্ত হয়। ২০২৫ চনৰ ছেপ্তেম্বৰ মাহৰ পৰা ২০২৬ চনৰ ফেব্ৰুৱাৰীলৈকে ছমহীয়া এই আবাসীক প্ৰশিক্ষণ কাৰ্যসূচীয়ে ৰাজ্যখনৰ ৬০ জনৰো অধিক প্ৰশিক্ষাৰ্থীক গেছ প্লাম্বিঙৰ ব্যৱহাৰিক দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰচেষ্টাই প্ৰশিক্ষাৰ্থীসকলক মহানগৰৰ গেছ বিতৰণ খণ্ডত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ কৰি তুলিব।

০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰতে জিম্বাব’ৱেক জয়ৰ বাবে ২৫৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ইয়াৰ পূৰ্বে আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত দক্ষিণ আফ্ৰিকাই ৱেষ্ট ইণ্ডিজক ৯ উইকেটত পৰাস্ত কৰে।

০০০০

সমাপ্ত